# পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা আৰু পৰিকল্পনা আঁচনি

## অসম আন্তঃৰাজ্যিক
## সংযোগ ব্যৱস্থাৰ উন্নয়ন প্ৰকল্প (দ্বিতীয় পৰ্যায়)

প্ৰস্তুত কৰা হৈছে এচিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংকৰ বাবে (চমুকৈ AIIB)

প্ৰস্তুত কৰিছে: অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (চমুকৈ AEGCL)

ছেপ্টেম্বৰ, ২০২৫

# কাৰ্য্যবাহী সাৰাংশ

অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (AEGCL) কোম্পানী আইন, ১৯৫৬ ৰ অধীনত পঞ্জীয়নভুক্ত এক শক্তিসম্পন্ন উন্নয়নমুখী ৰাজহুৱা খণ্ডৰ কোম্পানী। ইয়াক ২০০৩ চনত পুনৰ্গঠন কৰা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পৰা গঠন কৰি ষ্টেট ট্ৰেন্সমিচন ইউটিলিটি (ৰাজ্যিক পৰিবহন উপযোগীতা) (STU) হিচাপে অধিসূচিত কৰা হৈছিল। ইয়াৰ মূল উদ্দেশ্য আছিল বৈদ্যুতিক শক্তিৰ পৰা অসম ৰাজ্যৰ বিতৰণ কোম্পানী নেটৱৰ্কলৈ বিদ্যুৎ শক্তিক ভালদৰে পৰিবহণ কৰা। অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (AEGCL) য়ে ২০০৩ চনৰ প্ৰাৰম্ভিক সময়ত ৬৬ কেভি ভল্টেজ শ্ৰেণীৰ ওপৰৰ ৩৮৬২ চাৰ্কিট কিলোমিটাৰ অতিৰিক্ত উচ্চ ভল্টেজ (EHV) শ্ৰেণী হিচাপে লাভ কৰিছিল। তাৰোপৰি মুঠ সংবহন ক্ষমতা থকা ১৬৩৬.৫০ মেগাভল্ট-এম্পিয়াৰৰ (MVA) ৩৮ টা অতিৰিক্ত হাই-ভল্টেজ (EHV) উপকেন্দ্ৰও লাভ কৰিছিল।

AEGCL ৰ সম্প্ৰতি প্ৰায় ৯,৬৩০ মেগাভল্ট-এম্পিয়াৰ সংবহন ক্ষমতা সম্পন্ন ৫,৩৯৫.৪৮৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৮২ টা উপকেন্দ্ৰৰ কাম কৰি আছে। ইয়াত ৪০০ কেভিৰ ১ টা, ২২০ কেভিৰ ১৪ টা আৰু ১৩২ কেভিৰ ৬৭ টা উপকেন্দ্ৰ আছে। AEGCL ৰ পৰিৱেশ, সামাজিক আৰু ঐতিহ্যক সন্মান জনাই দক্ষতাৰে অৰ্থনৈতিকভাৱে আৰু সুৰক্ষাৰ মানদণ্ডৰে বিদ্যুৎ যোগান ধৰাৰ প্ৰতিশ্ৰুতি দিছে।

ভাৰত চৰকাৰৰ "সকলোৰে বাবে সুলভ আৰু স্বচ্ছ বিদ্যুৎ শক্তি" লাভ কৰাৰ বাবে বহনক্ষম উন্নয়নৰ লক্ষ্য (SDG-7)ৰ সাধনাৰ সৈতে সংগতি ৰাখি অসম ৰাজ্যই নিজৰ শক্তি সঞ্চাৰণৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। এই পদক্ষেপৰ লক্ষ্য হ'ল সকলোৰে বাবে সুলভভাৱে আৰু প্ৰয়োজন অনুসৰি বিদ্যুৎ শক্তি নিশ্চিত কৰাৰ বাবে "সকলোৰে বাবে বিদ্যুৎ শক্তি লাভ" (PFA)ৰ ব্যৱস্থা কৰা। এই দৃষ্টিভংগী বাস্তৱায়িত কৰিবলৈ এছিয়ান ইনফ্ৰষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংক (AIIB)ৰ সহযোগত অসম চৰকাৰে ভাৰত চৰকাৰৰ সহযোগত অসম আন্তঃৰাজ্যিক সংবহন ব্যৱস্থা বৃদ্ধি প্ৰকল্পৰ (AISTSEP) সুচনা কৰিছে। এই প্ৰকল্পৰ প্ৰধান উদ্দেশ্য হৈছে ৰাজ্যৰ ভিতৰত শক্তি খণ্ডক উন্নীত কৰা আৰু বহনক্ষম দীৰ্ঘম্যাদী উন্নয়নৰ বাবে দক্ষতা বৃদ্ধিৰ পোষকতা কৰা। বিদ্যুৎ পৰিবহন সংযোগৰ বাধাৰ সৈতে মোকাবিলা কৰাটো প্ৰকল্পটোৰ মূল লক্ষ্য। ইয়াৰ ভিতৰত নতুন সংবহন উপকেন্দ্ৰ স্থাপনৰ জৰিয়তে সংবহন সংযোগ আৰু উপকেন্দ্ৰৰ ক্ষমতা বৃদ্ধি কৰাৰ লগতে সংশ্লিষ্ট সংবহন সংযোগৰ সৈতে বৰ্তমানৰ সংবহন ক্ষমতা বৃদ্ধি কৰা। এই কৌশলগত হস্তক্ষেপসমূহৰ জৰিয়তে শক্তি সংযোগৰ নিৰ্ভৰযোগ্যতাৰ উন্নত ফলাফলৰ লাভ কৰাৰ বাবে AISTSEPৰ দুটা পৰ্যায় আছে, প্ৰথম আৰু দ্বিতীয় পৰ্যায়।

প্ৰকল্পটোৰ প্ৰথম পৰ্যায়ত ৪০০ কেভি, ২০০ কেভি, আৰু ১৩২ কেভি ভল্টেজত কাম কৰাৰ বাবে ১০টা নতুন উপকেন্দ্ৰ নিৰ্মাণৰ লগতে মুঠ ৩৩২.৯৪৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ সংশ্লিষ্ট সংবহন লাইন নিৰ্মাণ কৰা হৈছে। ইয়াৰ উপৰিও বৰ্তমানৰ AEGCL উপকেন্দ্ৰ (১৩২/৩৩ কেভি গহপুৰ) এ আই এছৰ (AIS) পৰা জি আই এছলৈ (GIS) ৰূপান্তৰিত হ'ব। এই পৰ্যায়ৰ অংশ হিচাপে বৰ্তমানৰ ১৮ টা উপকেন্দ্ৰ উন্নীতকৰণৰ

কথা আছে। ইয়াত পুৰণি ট্ৰেন্সফৰ্মাৰক নতুন ইউনিটেৰে সলনি কৰা হ'ব। তদুপৰি এই প্ৰকল্পত ১৮৬ কিলোমিটাৰ ট্ৰেন্সমিছন লাইন সম্প্ৰসাৰণ কৰা হৈছে। ইয়াত এটা একক চাৰ্কিট (S/C) লাইন আৰু দুটা ডাবল চাৰ্কিট (ডি/চি) লাইন হাই টেম্পাৰেচাৰ ল' চেগ (HTLS) কণ্ডাক্টৰৰ সৈতে নতুনকৈ লাইন সংযোগ (restringing) কৰা হৈছে। ইয়াৰ উপৰিও ৬৩৬ কিলোমিটাৰ পৰিবহন লাইনত ইয়াৰ ভুমিৰে সংযোগিত লাইনবোৰ অপটিকেল গ্ৰাউণ্ড লাইনৰ সৈতে (OPGW) সলনি কৰা হ'ব। উপকেন্দ্ৰ সমূহৰ সঁজুলিবোৰৰ ব্যাপক উন্নীতকৰণ কৰা হ'ব। সম্প্ৰতি প্ৰথম পৰ্যায় কাম সক্ৰিয়ভাৱে চলি আছে।

প্ৰকল্পটোৰ দ্বিতীয় পৰ্যায়ত ছয়টা নতুন ২২০ কেভি আৰু ১৩২ কেভিৰ GIS আৰু AIS উপকেন্দ্ৰৰ লগতে সংশ্লিষ্ট সংবহন লাইনৰ ব্যৱস্থা আছে। প্ৰকল্পৰ সামগ্ৰিক ব্যয় প্ৰায় ৪৪৪.১১ কোটি মাৰ্কিন ডলাৰ। AIIB য়ে প্ৰথম পৰ্যায়ৰ বাবে ৩০৪ মিলিয়ন মাৰ্কিন ডলাৰ আৰু দ্বিতীয় পৰ্যায়ৰ বাবে ১৪০.১১ মিলিয়ন মাৰ্কিন ডলাৰৰ আৰ্থিক সাহায্য আগবঢ়াইছে। পৰিৱেশ আৰু সামাজিক বিধিসমূহক AISTSEP ৰ দ্বিতীয় পৰ্যায়ত একত্ৰিত কৰিবলৈ AEGCL লে পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনা কাঠামো (ESMPF) প্ৰনয়ণ কৰিছে।

AISTSEP-ৰ প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ত ২২০ কেভি আৰু ১৩২ কেভি GIS আৰু AIS উপকেন্দ্ৰৰ লগতে সংশ্লিষ্ট ছয়টা নতুন সংবহন লাইনৰ ব্যৱস্থা আছে।
AISTSEP-ৰ দ্বিতীয় পৰ্যায়ৰ উপ-প্ৰকল্পৰ সবিশেষ তলত দিয়া ধৰণৰ:

- মুঠ ৫৮.২১৫ কিলোমিটাৰ দূৰত্বৰ সংবহন লাইনৰ লগতে ৪ টা ১৩২/৩৩ GIS আৰু AIS উপকেন্দ্ৰৰ স্থাপন।
- ৬৯.২৩৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ সংবহন লাইন থকা ২২০/১৩২ কেভিৰ ১ টা উপকেন্দ্ৰ স্থাপন।
- মৰিগাঁৱত ২২০/৩৩ কেভি AIS-ৰ বাবে উপযুক্ত মাটিৰ চিনাক্তকৰণ প্ৰক্ৰিয়া চলি আছে।

### নীতি, আইনী আৰু নিয়ন্ত্ৰণৰ কাঠামো:

AEGCL-ৰ ৰূপায়ণ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক নিয়ন্ত্ৰণ কাঠামো আৰু AIIB-ৰ পাৰিপাৰ্শ্বিক আৰু সামাজিক কাঠামো (ESF) সৈতে একেই হ'ব। দৰাচলতে এই সকলোবোৰ উপ-প্ৰকল্পৰ ফলত পৰিৱেশ আৰু সামাজত ইতিবাচক প্ৰভাৱ পৰিব। পৰিৱেশ আৰু সামাজিক বিৰূপ প্ৰভাৱ সামান্য, অস্থায়ী, স্থানীয়, সংশোধনীয় আৰু অপ্ৰশমিত কৰিব পৰা হ'ব। পৰিৱেশ সুৰক্ষা আইন/ নিয়মাৱলী ১৯৮৬; বন (সুৰক্ষা) আইন, ১৯৮০; অসম জৈৱ বৈচিত্ৰ্য নিয়ম ২০১০; বন্যপ্ৰাণী সুৰক্ষা (অসম সংশোধনী) আইন ২০০৯; অসম ৰাজ্য ভূমিকম্প প্ৰৱণ আৰু বানপানী অধ্যুষিত অঞ্চলত পৰে বাবে দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫; ভুমি অধিগ্ৰহণৰ ন্যায্য ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপনত স্বচ্ছতাৰ অধিকাৰ আইন ২০১৩; তথ্যৰ অধিকাৰ আইন ২০০৫; পঞ্চায়ত (অনুসূচিত এলেকালৈ সম্প্ৰসাৰণ) আইন ১৯৯৬; কৰ্মক্ষেত্ৰত মহিলাৰ বিৰুদ্ধে যৌন আতিশয্যা নিষেধাজ্ঞা আৰু প্ৰতিকাৰ আইন, ২০১৩ (POSH Act, 2013); বিদ্যুৎ আইন, ২০০৩; ভাৰতীয় টেলিগ্ৰাফ আইন, ১৮৮৫ আৰু ১০ মাৰ্চ ২০১৭ চনৰ অসম চৰকাৰৰ ৰাইট ওফ ৱে (RoW) ক্ষতিপূৰণ অধিসূচনা ইত্যাদি। উপ-প্ৰকল্পৰ বাবে উপযুক্ত কৰ্তৃপক্ষৰ পৰা অনুমতি আৰু আপত্তিহীনতাৰ প্ৰমাণপত্ৰ ল'ব লাগিব। উদাহৰস্বৰূপে বন্যপ্ৰাণী নিষ্কাশন, নিৰ্মাণৰ বাবে সৰু সৰু খনিজ

পদাৰ্থৰ খনন, শ্ৰমিক শিবিৰ স্থাপন, যান-বাহনৰ বাবে নিয়ন্ত্ৰিত প্ৰদূষণ আদিৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ পৰা আপত্তিহীনতাৰ প্ৰমাণপত্ৰৰ প্ৰয়োজন হ'ব।

**AIIB আৰু E&S-ৰ কাঠামো:**

AIIB হৈছে এছিয়াত আন্তঃগাঁথনি উন্নয়ন আৰু বৰ্ধিত আন্তঃসংযোগৰ বাবে বহুপক্ষীয় বিত্তীয় আৰু বিনিয়োগৰ মঞ্চ প্ৰদান কৰা এটা আন্তঃৰাষ্ট্ৰীয় বিত্তীয় সংস্থা। AIIB-য়ে স্বীকাৰ কৰে যে এছিয়া মহাদেশত আন্তঃগাঁথনি উন্নয়নত সহায় আৰু আন্তঃসংযোগ বৃদ্ধিৰ বাবে পৰিৱেশ আৰু সামাজিক (E&S) সুৰক্ষা হ'ল কাৰ্যভাৰৰ সৈতে সামঞ্জস্যপূৰ্ণ ফলাফল লাভৰ এক মৌলিক দিশ। AIIB-ৰ পৰিৱেশ আৰু সামাজিক নীতিৰ (ESP) উদ্দেশ্য হৈছে প্ৰকল্পসমূহৰ সৈতে সুস্থ পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনাক একত্ৰিত কৰি এই উন্নয়নমূলক ফলাফল সমূহ লাভ কৰাত সহায় কৰা। পৰিৱেশ আৰু সামাজিক নীতি য়ে প্ৰতিটো প্ৰকল্পৰ বাবে বাধ্যতামূলক পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনাৰ প্ৰয়োজনীয়তাসমূহ নিৰ্ধাৰণ কৰে। তলত দিয়া মানদণ্ড সমূহ পৰিৱেশ আৰু সামাজিক মানদণ্ড (ESS) ৰ ভিতৰত পৰে:

ESS- ১: পৰিৱেশ আৰু সামাজিক মূল্যায়ন আৰু ব্যৱস্থাপনা;

ESS- ২: অনাকাংক্ষিত পুনৰ সংস্থাপন; আৰু

ESS- ৩: খিলঞ্জীয়া জনগোষ্ঠী

**ESS-ৰ দ্বাৰা হ'ব পৰা সম্ভাব্য আশংকা আৰু E&S-ৰ প্ৰভাৱ:**

E&S-ৰ সম্ভাব্য আশংকা আৰু দৰাচলতে হোৱা ইয়াৰ প্ৰভাৱৰ মূল্যায়নত প্ৰকল্পটোৰ নিৰ্মাণ আৰু পৰিচালনা আৰু ৰক্ষণাবেক্ষণৰ পৰ্যায়ৰ ফলত হ'বলগীয়া সাধাৰণ সম্ভাব্য প্ৰত্যক্ষ, পৰোক্ষ/প্ৰৰোচিত আৰু ক্ৰমবৰ্ধমান প্ৰভাৱৰ বিশ্লেষণ প্ৰদান কৰা হৈছে।

AIIB-ৰ পাৰিপাৰ্শ্বিক আৰু সামাজিক পৰিকল্পনা (ESP) অনুসৰি প্ৰকল্পৰ শ্ৰেণীবিভাজন প্ৰক্ৰিয়াৰ নিৰ্দেশনা নিজ নিজ অধ্যায়ত প্ৰদান কৰা হৈছে। AEGCL-লে ঠিকাদাৰৰ নিয়োগৰ পূৰ্বে উপ-প্ৰকল্প নিৰ্দিষ্ট পৰিৱেশ আৰু সামাজিক প্ৰভাৱ মূল্যায়ন (ESIA) সম্পন্ন কৰিব লাগিব আৰু AIIB-ৰ অনুমোদন ল'ব লাগিব। পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনা (ESMP), সংক্ষিপ্ত/পুনৰ সংস্থাপন পৰিকল্পনা (A/RAP) সমূহ ৰূপায়ণ কৰিব লাগিব আৰু প্ৰয়োজন সাপেক্ষে খিলঞ্জীয়া লোকৰ পৰিকল্পনা (IPP) কৰিব লাগিব। বাহিৰা প্ৰভাৱ কম কৰিবলৈ প্ৰকল্পটো দীৰ্ঘদিন বৰ্তি থাকিবলৈ এই আহিলাবোৰে অপৰিহাৰ্য্য। এই ESMPF-ৰ প্ৰতিবেদনত চিনাক্ত কৰা আৰু প্ৰত্যাশিত E&S প্ৰভাৱ আৰু প্ৰস্তাৱিত প্ৰশমন ব্যৱস্থাৰ সৈতে ভৌতিক, পৰিৱেশ, অৰ্থনৈতিক আৰু সামাজিক দিশৰ বৰ্তমানৰ অৱস্থাৰ ভিত্তি তথ্য সন্নিবিষ্ট কৰা হৈছে। ৰূপায়ণৰ পৰ্যায়ত E&S-ৰ আশংকাৰ বাবে প্ৰতিকাৰৰ ব্যৱস্থা প্ৰদান কৰিবলৈ প্ৰস্তাৱিত উপ-প্ৰকল্পৰ স্থানসমূহ ভ্ৰমণ কৰা হৈছিল। ৰূপায়ণৰ বাবে আৰ্হি ESIA, জেনেৰিক ESMP আৰু RPF প্ৰদান কৰিবলৈ লগতে নিৰ্দিষ্ট নিৰ্দেশনা প্ৰদান কৰি পৰৱৰ্তী E&S মূল্যায়নক স্পষ্টভাৱে পথ প্ৰদৰ্শন কৰিবলৈ এই মূল্যায়ন স্পষ্ট ফুটপ্ৰিণ্ট থকা উপ-প্ৰকল্পৰ স্থানসমূহ ভ্ৰমণ কৰাৰ ভিত্তিত কৰা হৈছিল। প্ৰকল্প ৰূপায়ণৰ সময়ত IPP প্ৰস্তুত কৰা (যদি প্ৰযোজ্য) আৰু অনুসৰণৰ পথ প্ৰদৰ্শন কৰিবলৈ এটা খিলঞ্জীয়া জনগণ উন্নয়ন কাঠামো (IPDF) প্ৰস্তুত কৰা হয়।

সম্ভাৱ্য E&S আশংকাৰ পৰা হাত সাৰিবলৈ পৰিৱেশ, সামাজিক, সাংস্কৃতিক আৰু প্ৰত্নতাত্ত্বিক ভাৱে স্পৰ্শকাতৰ অঞ্চলসমূহৰ বেদখল এৰাই চলি প্ৰস্তাৱিত উপ-প্ৰকল্পৰ স্থানসমূহ চিনাক্ত কৰা হৈছিল। তদুপৰি ESMPF-ৰ প্ৰতিবেদন প্ৰস্তুত প্ৰক্ৰিয়াৰ অংশ হিচাপে জৈৱ বৈচিত্ৰ্যৰ ওপৰত ইয়াৰ প্ৰভাৱ নিৰ্ণয় কৰিবলৈ সংহত জৈৱ বৈচিত্ৰ মূল্যায়ন অধ্যয়ন (IBAT) কৰা হৈছিল।

**E&S পৰিচালনাৰ বাবে কাঠামো পদ্ধতি:**

ESIA প্ৰস্তুতকৰণ আৰু ইয়াৰ ৰূপায়ণৰ সময়ত চিনাক্তকৰণ কৰা কাৰ্য্যকলাপৰ বাবে অনুসৰণ কৰা পৰিৱেশ আৰু সামাজিক পদ্ধতি আৰু কাৰ্য্যকলাপৰ ক্ৰম আৰু প্ৰতিটো উপ-প্ৰকল্পৰ বাবে আৰু আগন্তুক কাৰ্য্যকলাপৰ বাবে অনুসৰণ কৰিবলগীয়া বিভিন্ন পদ্ধতি অনুসৰণ কৰা হৈছিল৷ সেইবোৰৰ ভিতৰত -

ক) E&S পৰীক্ষণ,
খ) প্ৰকল্পৰ ডিজাইন আৰু বিকল্প বিশ্লেষণত E&S -ৰ বিবেচনা,
গ) মধ্যমীয়া আৰু কম বিপদজনক উপ-প্ৰকল্পৰ বাবে গুণগত ESMP-ৰ ব্যৱহাৰ,
ঘ) যথেষ্ট বিপদজনক উপ-প্ৰকল্পৰ বাবে E&S অধ্যয়ন, প্ৰাথমিক তথ্য সংগ্ৰহ, প্ৰভাৱ মূল্যায়ন, আৰু ESMP,
ঙ) পৰামৰ্শ আৰু প্ৰকাশ,
চ) ESIA/ESMP আৰু RAP আৰু IPP-ৰ প্ৰস্তুতি,
ছ) নিবিদাৰ নথিপত্ৰৰ বাবে পৰিৱেশ আৰু সামাজিক অৱস্থা আৰু
জ) ESMP, আৰু AP আৰু TDP ৰূপায়ণ।

এইবোৰৰ বাবে প্ৰকল্প পৰিচালনা ইউনিট (PMU), প্ৰকল্প পৰিচালনাৰ কাৰিকৰী পৰামৰ্শদাতা (PMTC), নিজ নিজ প্ৰকল্প ৰূপায়ণ একক বোৰ (PIU), ডিজাইন ব্যৱস্থাপনা আৰু তত্বাৱধান পৰামৰ্শদাতা (DMSC) আৰু E&S-ৰ কৰ্মচাৰী দায়বদ্ধ হ'ব। ESMP ৰূপায়ণৰ সামগ্ৰিক দায়িত্ব PMU/PIU-ৰ ওপৰত থাকিব। কিন্তু নিৰ্মাণ ক্ষেত্ৰত ঠিকাদাৰৰ পৰিৱেশ, সামাজিক স্বাস্থ্য আৰু সুৰক্ষা (EHSS) কৰ্মচাৰীসকলে ESMP-ৰূপায়ণৰ বাবে দায়বদ্ধ। আনহাতে PIU আৰু PMU-ৰ পৰিৱেশ আৰু সামাজিক বিশেষজ্ঞসকলে সমগ্ৰ প্ৰকল্প ৰূপায়ণৰ সময়ছোৱাত ESMP সমূহ নিৰীক্ষণ কৰাৰ দায়িত্ব ল'ব। নিজ নিজ অসামৰিক কামৰ বাবে নিবিদা আহ্বান কৰাৰ পূৰ্বে ESIA-ESMP প্ৰস্তুত কৰিব লাগিব। অনুসৰণ নিৰীক্ষণত ESMP-ত চিনাক্ত কৰা আৰু ঠিকাদাৰৰ বাবে দফাসমূহত অন্তৰ্ভুক্ত কৰা ব্যৱস্থাসমূহ কাৰ্যকৰী কৰা হৈছে নে নাই সেইটো পৰীক্ষা কৰিবলৈ নিৰ্মাণ কাৰ্য্যকলাপসমূহৰ স্থানীয় পৰিদৰ্শন অন্তৰ্ভুক্ত কৰা হয়। নিৰীক্ষণ আৰু প্ৰতিবেদনৰ প্ৰয়োজনীয়তাসমূহ হ'ল ঠিকাদাৰৰ দ্বাৰা হোৱা সকলো পৰিৱেশ (প্ৰদূষণৰ পৰিঘটনা), OHS (দুৰ্ঘটনা) আৰু সামাজিক (SIA/SH অভিযোগ) কাণ্ড সামৰি মাহেকীয়া ESHS নিৰীক্ষণ প্ৰতিবেদন আৰু PMU-ৰ দ্বাৰা AIIB-লৈ ত্ৰিমাসিক ESMP নিৰীক্ষণ প্ৰতিবেদন প্ৰেৰণ কৰিব।

**অংশীদাৰসকলৰ পৰামৰ্শ:**

ইয়াত অংশীদাৰসকলৰ সৈতে পৰামৰ্শৰ পদ্ধতিৰ ৰূপৰেখা দাঙি ধৰা হৈছে। প্ৰকল্পৰ কাৰ্য্যকলাপৰ বিস্তৃত মূল্যায়ন চলোৱাৰ সময়ত বা প্ৰয়োজন অনুসৰি ইয়াক মানি চলিব লাগিব। প্ৰকল্পৰ সুৰক্ষা সৈতে জড়িত সকলো গুৰুত্বপূৰ্ণ পক্ষৰ সৈতে মূল্যায়ন প্ৰক্ৰিয়াৰ সময়ত এবাৰ হ'লেও বাহ্যিক পৰামৰ্শদাতাৰ জৰিয়তে AEGCL-লে পৰামৰ্শ ল'ব লাগে। প্ৰস্তাৱিত প্ৰকল্পৰ বাবে সাৰাংশ কৰা লক্ষ্য আৰু ESIA-ৰ তথ্যসমূহ অংশীদাৰসকলৰ সৈতে জড়িত হোৱাৰ সময়ত বিতৰণ কৰিব লাগে।

প্ৰকল্পটোৰ E&S মূল্যায়ন প্ৰক্ৰিয়াৰ এক অবিচ্ছেদ্য অংশ হিচাপে প্ৰয়োজনীয় জনসাধাৰণৰ অংশগ্ৰহণ আৰু ৰাইজৰ পৰামৰ্শ গ্ৰহণ কৰা হৈছে। সংশ্লিষ্ট স্থানসমূহত স্থানীয় সম্প্ৰদায়ৰ সৈতে কেন্দ্ৰীভূত গোট আলোচনা (FGD) সভা, বিশেষকৈ প্ৰস্তাৱিত নতুন উপ-কেন্দ্ৰ স্থানসমূহত আৰু বিভিন্ন প্ৰকল্পৰ স্থানত সভা অনুষ্ঠিত কৰা হৈছিল।

**নিৰীক্ষণকে ধৰি প্ৰতিষ্ঠানিক ব্যৱস্থা:**

AEGCL-লে ইতিমধ্যে AIIB প্ৰকল্পৰ সৈতে সংগতি ৰাখি প্ৰশমন ব্যৱস্থা ৰূপায়ণ কৰাটো নিশ্চিত কৰিবলৈ E&S ইউনিট গঠন কৰি দায়িত্বশীল সত্তা নিৰ্ধাৰণ কৰিছে। এই প্ৰকল্পত ইয়াৰ প্ৰতিষ্ঠানিক গাঁথনিৰ সৈতে একে পদ্ধতি ব্যৱহাৰ কৰা হ'ব। এই ESMPF-ৰ প্ৰকল্প পৰিচালনা পৰামৰ্শদাতা (MPC)ৰ দ্বাৰা সমৰ্থিত কৰ্পৰেট পৰ্যায়ত প্ৰকল্প ব্যৱস্থাপনা ইউনিট (PMU) আৰু বিভাগীয় পৰ্যায়ত প্ৰকল্প ৰূপায়ণ ইউনিট (PIU)ৰ সু-পৰিকল্পিত সাংগঠনিক গাঁথনিৰ জৰিয়তে E&S বিষয়সমূহ পৰিচালনা কৰিবলৈ সামৰ্থ্য বিকাশ কাৰ্যসূচী চলাবলৈ ঠিকাদাৰ আৰু AEGCL-কে ধৰি অতিৰিক্ত E&S মূল্যায়নৰ প্ৰয়োজন।

**নিৰীক্ষণ:**

PMU আৰু PIU-ৰ নিয়মীয়া নিৰীক্ষণৰ অংশ হিচাপে সমান্তৰাল আভ্যন্তৰীণ পৰিৱেশ আৰু সামাজিক নিৰীক্ষণ কৰা হ'ব। PIU পৰ্যায়ত E&S বিশেষজ্ঞসকলে ESMF আৰু ESMP-ৰ বিধানসমূহ ৰূপায়ণ আৰু নিৰীক্ষণৰ তদাৰক কৰিব। PIU সমূহৰ E&S বিশেষজ্ঞসকলে নিয়মীয়াকৈ (ন্যূনতম পষেকীয়া ভিত্তিত) সকলো উপ-প্ৰকল্প ভ্ৰমণ কৰি সকলো পৰিৱেশ আৰু সামাজিক সুৰক্ষাৰ প্ৰয়োজনীয়তা পূৰণ কৰা হৈছেনে নাই পৰীক্ষা কৰিব আৰু সমাধান কৰিবলগীয়া কোনো সমস্যা চিনাক্ত কৰিব। PMU-ৰ E&S কৰ্মচাৰীয়ে অন্ততঃ ত্ৰিমাসিকভাৱে উপ-প্ৰকল্প স্থানসমূহ পৰিদৰ্শন কৰিব। PMU-য়ে পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা সম্পৰ্কে AIIB-ক ত্ৰিমাসিকভাৱে অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰিব। PMU-য়ে পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনাৰ অৱস্থাৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব৷

**পুনৰ সংস্থাপন পৰিকল্পনা কাঠামো:**

প্ৰকল্পটোৰ বাবে পুনৰ সংস্থাপন পৰিকল্পনা কাঠামো (RPF) বিশেষভাৱে প্ৰস্তুত কৰা হৈছে। কাঠামো প্ৰণয়নত সামাজিক প্ৰভাৱ ব্যৱস্থাপনাৰ ESP, ESS- ২ ক্ষেত্ৰত সংগতি থকাকৈ ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় মানদণ্ডসমূহ বিবেচনা কৰা হৈছে। কাঠামোৰ ভেটি স্থাপন কৰাৰ ক্ষেত্ৰত সমাজৰ বিৰূপ

প্ৰভাৱ কম কৰাৰ বাবে অগ্ৰাধিকাৰ দিয়া এৰাই চলিব পৰা, যথাসম্ভৱ হ্ৰাস কৰিব পৰা আৰু প্ৰশমন নীতি ব্যৱহাৰ কৰা হৈছে৷

**অভিযোগ নিৰাময় ব্যৱস্থা:**

প্ৰকল্পৰদ্বাৰা ক্ষতিগ্ৰস্ত হোৱা লোকসকল (PAP) আৰু শ্ৰমিকৰ অভিযোগসমূহ তৎকালীনভাৱে সময়মতে সমাধান কৰাটো নিশ্চিত কৰিবলৈ অভিযোগ নিৰাময় ব্যৱস্থা (GRM) স্থাপন কৰা হ'ব। ইয়াৰ ভিতৰত প্ৰকল্প পৰিচালক বা ইয়াৰ প্ৰতিনিধিৰ অধ্যক্ষতাত AEGCL, স্থানীয় প্ৰশাসন, পঞ্চায়তৰ মুৰব্বী, আৰু PAP-ৰ প্ৰতিনিধিৰে গঠিত অভিযোগ নিৰাময় সমিতি (GRC) অন্তৰ্ভুক্ত হ'ব। যিসকল PAP-য়ে বিশ্বাস কৰে যে এই প্ৰকল্পত ESP ৰূপায়ণ কৰাত AIIB-য়ে প্ৰতিকূলভাৱে প্ৰভাৱিত হৈছে বা হোৱাৰ সম্ভাৱনা আছে, তেওঁলোকে AIIB প্ৰকল্পৰ প্ৰভাৱিত জন ব্যৱস্থা (PPM) ৰ ওপৰত বেংকৰ নীতি অনুসৰি AIIB-ৰ ওচৰত নিজৰ ওজৰ-আপত্তি দাখিল কৰিব পাৰিব।